# বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য – এক ৰোমন্থন

আজি প্ৰখ্যাত ঔপন্যাসিক, লেখক তথা সাংবাদিক প্ৰয়াত ড. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ জন্মদিৱস। ১৯২৪ চনত জন্মগ্ৰহণ কৰা প্ৰয়াত ভট্টাচাৰ্য্যৰ ১৯৯৭ চনৰ ৬ আগষ্টত মহাপ্ৰয়াণ হয়। অসমীয়া মানুহৰ বাবে তেখেতৰ কোনো পৰিচিতিৰ প্ৰয়োজন নাই – অসমীয়া সাহিত্য তথা সাংবাদিকতালৈ তেখেতৰ অৱদান সৰ্বজনবিদিত। তেখেতৰ সাহিত্য কৰ্ম মূল্যায়ন কৰাৰো যোগ্যতা মোৰ নাই। মই মাত্ৰ তেখেতৰ অৱদান আৰু কৃতিত্বৰ বিষয়ে থুলমুলকৈ লিখাৰ লগতে তেখেতক মই ব্যক্তিগতভাৱে কিদৰে জানিছিলো সেই বিষয়ে কিছু আলোকপাত কৰিবলৈ প্ৰয়াস কৰিম।

২৭ খন উপন্যাস, ৫ খন গল্প সংকলন, ৬ খন প্ৰৱন্ধ সংকলন, কেইবাখনো ভ্ৰমণ কাহিনী, নাটক আৰু কবিতাৰে তেখেতে অসমীয়া সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই হৈ গৈছে। কেৱল লেখক হিচাবেই নহয় সম্পাদক হিচাবেও তেখেতৰ অৱদান আছিল অপৰিসীম। ১৯৪৫ চনতেই তেখেতে বাঁহীৰ সহকাৰী সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। ১৯৫২ চনত ৰামধেনুৰ সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰি অসমীয়া সাহিত্যৰ এটা নতুন যুগৰ সৃষ্টি কৰে। ১৯৬৩ চনৰ পৰা তেখেতে নৱযুগৰ সম্পাদনা কৰে। আৰু ভালেমান খবৰ কাগজ, আলোচনীৰ সম্পাদক, সহকাৰী সম্পাদক হিচাবে সেৱা আগবঢ়োৱাৰ পিছত ১৯৮৭ চনৰ পৰা ১৯৯০ চনলৈকে প্ৰকাশৰ মুখ্য সম্পাদক হিচাবে কাৰ্য্যনিবাহ কৰে।

তেখেতে '৯৫ চনৰ পৰা '৯৬ চনলৈকে কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়ৰ ড. ৰামমনোহৰ লোহিয়া আসনৰ অধ্যাপক হিচাবে কাৰ্য্যনিবাহ কৰাৰ পূৰ্ব্বে '৭৫ চনৰ পৰা '৮৩ চনলৈকে গুৱাহাটী বিশ্ববিদ্যালয়তো তেখেতে সাংবাদিকতা বিভাগত অধ্যাপনা কৰিছিল।

সাহিত্য একাডেমিৰ সভাপতি হিচাবে কাৰ্য্যনিবাহ কৰা কালছোৱা হয়তো তেখেতৰ কৰ্মজীৱনৰ সবাতোকৈ উল্লেখনীয় অধ্যায় আছিল। সেই আসন সুশোভিত কৰিবলৈ সক্ষম হোৱা ড. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই প্ৰথম আৰু একমাত্ৰ অসমীয়া। অতি দক্ষতাৰে '৮৮ চনৰ পৰা '৯২ চনলৈকে সভাপতি হিচাবে কাৰ্য্যনিবাহ কৰাৰ আগতে তেখেত একাডেমিৰ উপসভাপতি আছিল '৮৩ ৰ পৰা '৮৮ লৈকে। সভাপতি হিচাবে তেখেতে লোৱা বলিষ্ঠ পদক্ষেপৰ বাবেই সাহিত্য একাডেমি এতিয়াও এক স্বায়ত্ত্ব শাসিত অনুষ্ঠান হৈ আছে।

বিভিন্ন সময়ত বিভিন্ন সংস্থানত কাৰ্য্যনিবাহ কৰিছিল যদিও তেখেত প্ৰধানকৈ এজন স্বাধীনচিতিয়া সাংবাদিক আৰু লেখক আছিল।

জীৱনকালত তেখেতে বিভিন্ন বটা আৰু সন্মান লাভ কৰিছিল। '৬১ চনত 'ইয়াৰুইংগম' নামৰ উপন্যাসখনৰ বাবে সাহিত্য একাডেমিৰ বটা লাভ কৰিছিল। '৭৯ চনত তেখেতে 'মৃত্যুঞ্জয়' নামৰ উপন্যাসখনৰ বাবে ভাৰতীয় সাহিত্যৰ শ্ৰেষ্ঠতম পুৰস্কাৰ জ্ঞানপীঠ বটা লাভ কৰিছিল। কোৱা মাথো বাহুল্য যে অসমীয়া সাহিত্যই প্ৰথমবাৰৰ বাবে সেই স্বীকৃতি লাভ কৰিছিল। তদুপৰি তেখেতে বিভিন্ন বটা লাভ কৰিছিল যদিও Dr. B.C. Roy National Award for Arts আৰু National Harmony Award বিশেষভাৱে উল্লেখযোগ্য।

'৮৩ চনত বঙাইগাঁৱত হোৱা অসম সাহিত্য সভাৰ সোনালী জয়ন্তী অধিবেশনৰ তেখেত সভাপতি আছিল।

Writer's Guild of India ৰ সভ্য হিচাবে তেখেতে ৰাচিয়া, পোলেণ্ড আদি দেশ ভ্ৰমণ কৰাৰ অভিজ্ঞতা লাভ কৰিছিল। চীনকে ধৰি তেখেতে আৰু বহুতো দেশ ভ্ৰমণ কৰিছিল। '৮৭ চনত ৰাচিয়াত হোৱা UNESCO ৰ কন্‌ফাৰেন্সলৈ আমন্ত্ৰিত হৈ যোগদান কৰিছিল।

তেখেত আছিল সম্পূৰ্ণৰূপে নিজৰ ভৰিৰ ওপৰত নিজে ঠিয় হোৱা মানুহ – ইংৰাজীত যাক Self-made man  বোলা হয়। উজনি অসমৰ এখন ইমান সৰু আৰু ভিতৰুৱা ঠাইৰ পৰা আহি নিজৰ জোৰতে ইমান উচ্চ শিখৰত আৰোহণ কৰিব পৰাটো নিশ্চয়েই অতি গুৰুত্বপূৰ্ণ কথা। তেখেত যে কেৱল নিজেহে জীৱন যাত্ৰাত সফলতাৰে আগবাঢ়ি গৈছিল তেনে নহয় – আটাইকেউজন ককাই-ভাইক আগবাঢ়ি যাবলৈ উৎসাহ উদ্দিপনাৰ লগতে হেঁচাও দিছিল। তেখেতৰ হেচাতে ককায়েক স্বৰ্গীয় নলিনীধৰ ভট্টাচাৰ্য্য গুৱাহাটীলৈ উঠি আহিছিল।

তেখেতৰ শিক্ষাজীৱনৰ বিষয়ে পূৰাকৈ লিখাৰ সলনি দুটা কথাই উল্লেখ কৰো। তেখেতে '৭৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পি.এইচ.ডি ডিগ্ৰী লাভ কৰে। '৮২ চনত জব্বলপুৰ বিশ্ববিদ্যালয়ৰ পৰা ডিলিট ডিগ্ৰী লাভ কৰে।

এতিয়া আহো তেখেতৰ লগত মোৰ ব্যক্তিগত সম্বন্ধ সম্পৰ্কে। তেখেত মোৰ খুড়া আছিল। আমাৰ সম্বন্ধটো আছিল এনে ধৰণৰ – তেখেতৰ ককাক (দেউতাকৰ দেউতাক) আমাৰ আজুককা (দেউতাৰ দেউতাকৰ দেউতাক) ৰ ভায়েক আছিল। সেই হিচাবে আমাৰ সম্পৰ্কটো নিচেই ওচৰৰ নহয়। কিন্তু আহ-যাহ আৰু যোগাযোগৰ বাবেই আমাৰ বিশেষকৈ মোৰ তেখেতৰ লগত ঘনিষ্ঠ সম্পৰ্কই গঢ় লৈ উঠিছিল। মই কোনোবা এখন 'মহীশূৰৰ চিঠি' ত লিখিছিলো যে

মোক এইখন সমাজে অতি সহজে আৰু আগ্ৰহেৰে গ্ৰহণ কৰাৰ এটা প্ৰধান কাৰণ আছিল মোৰ বীৰেন খুড়া আৰু ধীৰেন দাদা (ধীৰেন্দ্ৰনাথ বেজবৰুৱা) ৰ লগত থকা সম্পৰ্ক। আমাৰ বিয়াৰ পিছতে এদিন কিবা কথাত মই এওঁক বীৰেন খুড়াৰ কথা কৈছিলো। এও খুড়াক লগ পাবলৈ ইচ্ছা প্ৰকাশ কৰিছিল আৰু ময়ো লৈ গৈ চিনাকী কৰাই দিছিলো। প্ৰথম দৰ্শনতে এওঁৰ খুড়াৰ প্ৰতি শ্ৰদ্ধাৰ ভাৱ হৈছিল। তাৰ পিছত অসমলৈ যাওতে প্ৰায় প্ৰত্যেকবাৰেই তেখেতসকলৰ খাৰঘুলিৰ ঘৰলৈ গৈছিলো।

খুড়া '৮৩ চনত পৰা '৯৪ চনৰ ভিতৰত কেইবাবাৰো মাইচুৰলৈ আহিছিল আৰু আমাৰ ঘৰতেই থাকিছিল। আনকি '৯৪ চনত কৰ্ণাটক চৰকাৰে যেতিয়া দসেৰা উপলক্ষে সন্মান জনাইছিল তেতিয়া অতি ভাল হোটেলত থকাৰ ব্যৱস্থা চৰকাৰে কৰিছিল যদিও খুড়ায়ে 'মোৰ নিজৰ ভতিজী থাকোতে হোটেলত কিয় থাকিম' বুলি আমাৰ ঘৰতে আছিল। কেতিয়াবা বেংগালুৰুত মিটিং থাকোতে এদিন বা দুদিনৰ বাবে ইয়ালৈ আহি আমাৰ ঘৰত থাকি গৈছিল। এবাৰ খুড়া কোনো আগজাননি নিদিয়াকৈ আহি ওলাইছিলহি। সেইটো বোধ কৰো '৯১ বা '৯২ চনৰ কথা। তেখেত সাহিত্য একাডেমিৰ কামত বেংগালুৰলৈ আহিছিল আৰু এদিন নে দুদিনৰ পিছত দিল্লীলৈ ঘুৰি যোৱাৰ কথা আছিল। তাতে প্ৰখ্যাত কান্নাড়া ঔপন্যাসিক সৰস্বতী সন্মান বিজেতা এছ.এল. ভাইৰাপ্পাই পাই খুড়াক জোৰ কৰি ইয়ালৈ লৈ আহিছিল। ৰাতি প্ৰায় দহমান বজাত আমাৰ ঘৰৰ সন্মুখত গাড়ী এখন ৰোৱা দেখি আচৰিত হৈ চাই ভাইৰাপ্পাক নামি অহা দেখি চিন্তা কৰিছিলো কি কাৰণত আহিব পাৰে বুলি। পিছে পিছে আহি থকা খুড়াক দেখি আচৰিত হৈছিলো। ভাইৰাপ্পাই 'এখেতৰ ভোক লাগিব পায় – বেগেতে কিবা এটা খাবলৈ দিয়া' বুলি মোক কৈ নিজৰ ঘৰলৈ গুচি গৈছিল। মই কিছু বিমোৰত পৰিছিলো কাৰণ ইতিমধ্যে আমাৰ খোৱাবোৱা হৈ গৈছিল। 'এই ৰাতিখন ৰন্ধা বঢ়া কৰিব নালাগে – যি আছে তাকেই দিয়া' বুলি খুড়ায়ে কথাটো সহজ কৰি দিলে। মোৰ এতিয়াও স্পষ্ট মনত আছে যে আমাৰ খোৱাৰ লগৰ দুখন শুকান ৰুটি বাকী আছিল। মই তাৰে সৈতে আৰু কিবা অলপ যোগাৰ কৰি খাবলৈ দিলো। একো ৰাগ জঞ্জাল নথকা খুড়ায়ে এওঁৰ লগত কথা বতৰা পাতি তাকেই পৰম তৃপ্তিৰে খাইছিল।

ইয়াত দসেৰা মহা ধুমধামেৰে উদ্‌যাপন কৰা হয়। নৱৰাত্ৰিৰ প্ৰথম দিনাৰ পৰাই বিভিন্ন ধৰণৰ কাৰ্য্যসূচী দশমীৰ দিনালৈকে চলি থাকে। এদিন কবি, সাহিত্যিক সকলৰ বাবেও এক বিশেষ অনুষ্ঠান হয়। '৯৪ চনৰ দসেৰাত ভাৰতৰ কেইবাজনো জ্ঞানপীঠ বটা বিজয়ী সাহিত্যিকক সন্মান জনোৱা হৈছিল – তাৰ ভিতৰত খুড়াও আছিল। তেখেতে আমাৰ ঘৰত থাকিম বুলি কোৱাৰ বাবে বেংগালুৰুৰ পৰা অনাৰ দায়িত্বটোও কমিটীয়ে এওঁকে দিলে (অৱশ্যে তেওঁলোকে খৰছ দিছিলে)। নৱমীৰ দিনা হোৱা সেই সভাখনত খুড়ায়ে এটা বৰ সুন্দৰ ভাষণ দিছিলে। তাত খুড়ায়ে কৰ্ণাটক আৰু অসমৰ মাজত থকা কেইটামান পূৰণা যোগসূত্ৰৰ কথা উল্লেখ কৰিছিল। তাতে

তেখেতে নিজে ৰচনা কৰা কবিতা এটাও পাঠ কৰিছিল। মুখ্যমন্ত্ৰী ভীৰাপ্পা মৈলিয়েও নিজে ৰচনা কৰা কবিতা এটা আবৃত্তি কৰিছিলে। দশমীৰ দিনা ৰাজপ্ৰাসাদৰ প্ৰাঙ্গনত হোৱা দসেৰাৰ মূল কাৰ্য্যসূচী আমিও খুড়াৰ বাবেই ভি ভি আই পিৰ শাৰীত বহি চাবলৈ পাইছিলো। সেইদিনা ৰাতি মুখ্যমন্ত্ৰী মৈলিয়ে আয়োজন কৰা নৈশ ভোজনলৈ আমাকো নিমন্ত্ৰণ কৰিছিলে। ভোজনৰ আগতে হোটেলৰ লাউঞ্জত বহুত ধৰণৰ কথা-বতৰা হৈছিল। মৈলি নিজেও এজন প্ৰখ্যাত সাহিত্যিক। তাতেই তেখেতে মোক নিজৰ কবিতাটো অসমীয়ালৈ অনুবাদ কৰিবলৈ দিছিলে। মই অনুবাদ কৰাৰ পিছত খুড়ায়ে প্ৰকাশ কৰিবলৈ লৈ গৈছিল। প্ৰকাশ হ'লনে নাই গম নাপালো।

জ্ঞান, যশষ্যাতকৈয়ো খুড়াৰ অমায়িক স্বভাৱে মোক তেখেতৰ প্ৰতি অধিক আকৰ্ষিত কৰিছিল। সংস্কৃতত এষাৰ কথা আছে 'বিদ্যা বিনয়ং দদাতি' অৰ্থাৎ বিদ্যাৰ পৰা বিনয় লাভ হয়। অহংকাৰ, দম্ভ আদি যে নিচেই স্থুল আৱেগ সেই কথা উপলব্ধি কৰিবলৈ যি বিদ্যা, জ্ঞান আৰু প্ৰজ্ঞাৰ প্ৰয়োজন তাক খুড়ায়ে পূৰামাত্ৰাই আয়ত্ব কৰিছিল বাবে খুড়াৰ মানসিকতাত অহংকাৰৰ কোনো স্থান নাছিল। খুড়াই সকলোকে সমজ্ঞান কৰাৰ প্ৰমাণ মই বহুতবাৰ পাইছো। মই যেতিয়া এজন পুৰুষৰ মানুহ হিচাবে মূল্যায়ন কৰিবলৈ চেষ্টা কৰো তেতিয়া প্ৰথমতেই জানিবলৈ বিচৰা বিষয়টো হৈছে পৰিয়ালৰ সভ্যসকলৰ প্ৰতি মানুহজনৰ আচৰণ। বহুতো পুৰুষৰ সমাজত এক নিকা, আদৰ্শ ভাৱমূৰ্তি থাকে কিন্তু নিজৰ ঘৰত পত্নী আৰু সন্তানক মানবীয় মৰ্য্যদা দিবলৈ অপাৰগ হয় – ল'ৰা আৰু ছোৱালীৰ মাজতো ভেদভাৱ ৰাখে। সমাজত তেনে মানুহৰ অভাৱ নাই। মোৰ প্ৰত্যক্ষ অভিজ্ঞতা নাই যদিও খুড়ী আৰু জুৰী (তেখেতৰ ছোৱালী) হঁতৰ লগত হোৱা কথা বতৰাৰ পৰা গম পাইছো যে খুড়ায়ে ঘৰৰ সকলোকে সমদৃষ্টিৰে চাইছিল। সকলো কথা বতৰা ঘৰৰ মানুহৰ লগত আলোচনা কৰিছিল। দ্বিতীয়তে, ল'ৰা আৰু ছোৱালীক সমজ্ঞান কৰিছিল। খুড়ীৰ মতে gender equality অৰ্থাৎ নাৰী পুৰুষৰ সম-অধিকাৰত খুড়ায়ে সম্পূৰ্ণ বিশ্বাস কৰিছিল। এবাৰ আমাৰ ঘৰত এওঁৰ লগত কথা পাতি থাকোতে খুড়ায়ে কোৱা শুনিছিলো যে সাহিত্য একাডেমিৰ সভাপতি হিচাবে তেখেতে বিভিন্ন ঠাই দেখাৰ সুযোগ পাইছে। পৰিয়ালৰ লোককো বিশেষকৈ পত্নীকো লৈ যাবলৈ ইচ্ছা হয় কিন্তু সিমান খৰছ কৰিবলৈ তেখেতৰ সামৰ্থ নাই। তেখেতে ইংৰাজীত কোৱা এটা বাক্য মোৰ এতিয়াও মনত আছে "It creates inequality and I feel guilty" । এই বাক্যটোৰ পৰাই তেখেতৰ সহমৰ্মিতা আৰু বিবেকবোধৰ পৰিচয় পোৱা যায়।

অৱশ্যে এই কথা সঁচা যে তেনে এজন সৃজনীশীল ব্যক্তি একাণপটিয়াকৈ সৃষ্টিৰ কামত লাগি থাকিবলগীয়া হোৱাত সৰু-বৰ সকলোবোৰ ঘৰুৱা কথাত মনোযোগ দিব পৰাটো অসম্ভৱ। তাৰ বাবে পৰিয়ালৰ কোনোবাই ত্যাগ কৰিব পৰিবই লাগিব। থুনুখুড়ী (শ্ৰীযুতা বিনীতা ভট্টাচাৰ্য্য) য়ে সেই ত্যাগ কৰিছিল আৰু সেই ত্যাগৰ অৰিহনে খুড়ায়ে অসমীয়া ভাষাসাহিত্যলৈ সিমানখিনি

অৱদান আগবঢ়াব নোৱাৰিলেহেতেন। মোৰ এই কথা ভাবি ভাল লাগে যে খুড়ীৰ সেই ত্যাগ আৰু সহযোগিতাৰ মূল্য খুড়ায়ে উপলব্ধি কৰিব পাৰিছিল – বুজি পোৱাৰ জোখাৰে খুড়াৰ সহমৰ্মিতা আছিল। এইটোও সঁচা যে খুড়ায়ে পৰিয়ালটোক সকলো সময়তে আৰ্থিক স্বাচ্ছন্দ্যত ৰাখিব পৰা নাছিল। তেখেতৰ টকা পইছাৰ বাবে মোহ নাছিল বাবে অৰ্থোপাৰ্জনত গুৰুত্ব দিয়া নাছিল। কিন্তু তাৰ বাবে কাৰো আক্ষেপ নাই আৰু পৰিয়ালৰ সকলোৰে বাবে তেখেত চিৰনমস্য। মোৰ মতেৰে এজন ব্যক্তিৰ বাবে এইটোও এটা কম সাফল্য নহয়।

তেখেতৰ সহমৰ্মিতাৰ এটা সাধাৰণ উদাহৰণ দিও। বহুতদিনৰ আগতে এবাৰ খুড়া কিবা কামত আহি আমাৰ ঘৰত এৰাতি নে দুৰাতি আছিলহি। খুড়া অহা দেখি এও ভালেকেইজন স্থানীয় লোকৰ ৰাতি ভাত খাবলৈ মাতিছিলে। মানুহ বেছি হোৱাৰ বাবে মেজত খাবলৈ ঠাই নোহোৱাত প্লেটত লৈ গৈ ড্ৰইংৰুমত বহি খোৱাৰ ব্যৱস্থা কৰা হৈছিল। মই সকলোকে চাই চিতি বাঢ়ি দিছিলো যদিও মাজতে মোৰ ল'ৰাটো (সি তেতিয়া নিচেই সৰু আছিল) এ দিগদাৰী কৰাত ভিতৰলৈ গুছি যাবলগীয়া হৈছিল। পিছত আহি দেখো যে ইতিমধ্যে সকলোৰে খোৱাবোৱা হৈছিল। সকলোবোৰ যোৱাৰ পিছত বস্তুবোৰ সামৰা সোতৰা কৰোতে গম পালো যে কোনোবা এজনে মাছৰ টেঙা খোৱা নাছিল কাৰণ এখন প্লেটত খোৱাৰ চিন নাছিল। কেইবাটাও কথাৰ পৰা অনুমান কৰিলো যে সেইখন খুড়াৰ প্লেট আছিল। মই নথকা সময়ত এও চকু দিব লাগিছিল কিন্তু নিদিলে। মই সোধোতে খুড়ায়ে 'নাই খোৱা' বুলি নকলে কিন্তু। পিছদিনা মই ৰান্ধি খুৱালো যদিও কথাটো মনত পৰিলে এতিয়াও বেয়া লাগে। এতিয়াও ভাবো খুড়া কিমান মহান আছিল – ইমান আগ্ৰহেৰে ৰন্ধা বঢ়া কৰাৰ পিছত তেখেতে খাবলৈ নাপালে বুলি গম পালে যে মোৰ বেয়া লাগিব সেইকাৰণেই তেনেকৈ ক'লে।

সৌম্যভাৱ, মানসিক স্থিৰতা আৰু ন্যায় পৰায়ণতা আছিল খুড়াৰ চৰিত্ৰিক বৈশিষ্ট্য। আমাৰেই দুৰ্ভাগ্য যে তেনে এজন গুণী, জ্ঞানী, সৃজনীশীল ব্যক্তিক আমি প্ৰায় অকালতে হেৰুৱাবলগীয়া হ'ল। কেতিয়াবা মনতে ভাৱ হয় তেখেতৰ স্মৃতি ৰক্ষাৰ্থে আমি একো কৰা নাই। বিশেষকৈ যোৱাবছৰ তেখেতসকলৰ ঘৰটো দেখাৰ পিছৰ পৰা একেটা প্ৰশ্নই মনলৈ বাৰে বাৰে আহি আছে – অসমলৈ ৰাষ্ট্ৰীয় খ্যাতি আৰু সন্মান কঢ়িয়াই অনা এইজন মহান সাহিত্যিকৰ স্মৃতি ৰক্ষাৰ্থে অসম চৰকাৰ বা অসম সাহিত্য সভাৰ কৰণীয় একোৱেই নাইনে ? কৰ্ণাটক চৰকাৰে প্ৰায় তিনি কোটি টকা খৰছ কৰি আৰ কে নাৰায়ণৰ ঘৰটো সংগ্ৰহালয়লৈ ৰূপান্তৰিত কৰিছে। অসম চৰকাৰেও তেনে কিবা এটা পদক্ষেপ ল'ব নোৱাৰেনে ?